# টকা আৰু পইচা

U1U8A6

এদিন আবেলি মণি, জুমি, ইভান আৰু কমল ঘৰৰ ওচৰত থকা পাৰ্কলৈ গৈ আছিল। হঠাতে সিহঁতে দেখিলে যে এটা কুকুৰ পোৱালি লেঙেৰাই লেঙেৰাই সিহঁতৰ ফালে আহি আছে। জুমিয়ে দৌৰি গৈ পোৱালিটোৰ ওচৰ পালে। তাই দেখিলে যে কুকুৰটোৱে ভৰিত আঘাত পাইছে।







গতিকে সিহঁতে তাক লৰালৰিকৈ পশু চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। কুকুৰটোৰ চিকিৎসাৰ বাবে টকাৰ দৰকাৰ হ'ল। সিহঁতে ঘৰলৈ গৈ নিজৰ নিজৰ জমা টকা আৰু পইচাবোৰ উলিয়ালে। সেই টকা আৰু পইচাৰে সিহঁতে কুকুৰটোৰ চিকিৎসা কৰালে।

**কাৰ লগত কিমান টকা আৰু পইচা আছিল চাওঁ আহাচোন**

| নাম | টকাৰ সংখ্যা | মুঠ টকা |
|---|---|---|
| মণি |  | ২০০ টকা ৫০ পইচা |
| জুমি |  | ১৮০ টকা |
| ইভান |  | ২৫০ টকা ৭৫ পইচা |
| কমল |  | ২৭০ টকা ৫০ পইচা |

| | |
|---|---|
| মণি আৰু জুমিৰ টকাখিনি লগলগালে কিমান টকা হ'ব চাওঁ আহা<br><br>মণিৰ টকা = ২০০ টকা ৫০ পইচা<br>জুমিৰ টকা = ১৮০ টকা<br>মুঠ = ৩৮০ টকা ৫০ পইচা | ইভান আৰু কমলৰ টকাখিনি লগলগালে কিমান টকা হ'ব? |
| মণি আৰু কমলৰ টকাখিনি লগলগালে কিমান টকা হ'ব চাওঁ আহা | জুমি আৰু ইভানৰ টকাখিনি লগলগালে কিমান টকা হ'ব? |

**টকা আৰু পইচাক কিদৰে লিখা হয় বুজোঁ আহা**

মণিৰ হাতত ২০০ টকা ৫০ পইচা আছে।

২০০ টকা ৫০ পইচাক আমি ২০০.৫০ টকা বুলিও লিখিব পাৰোঁ।

টকা আৰু পইচাৰ মাজত (.) চিন দিয়া হয়।

> **মনত ৰাখিবা ঃ**
> **দশমিকৰ প্ৰকৃত স্থান (˙) ওপৰত। বৰ্তমান মুদ্ৰণৰ সুবিধাৰ বাবে (.) লিখা হয়।**

**তলৰ টকা আৰু পইচাখিনি টকালৈ পৰিৱৰ্তন কৰা**

(ক) ৫ টকা ৪০ পইচা — ৫.৪০ টকা

(খ) ১০ টকা ৭৫ পইচা — ______

(গ) ১৫ টকা ২০ পইচা — ______

(ঘ) ৩ টকা ৯০ পইচা — ______

(ঙ) ৫৭ টকা ৫০ পইচা — ______

(চ) ২ টকা ৩০ পইচা — ______

(ছ) ১৫ টকা ৭০ পইচা — ______

(জ) ৬০ টকা ৮৫ পইচা — ______

(ঝ) ৭৬ টকা ৬০ পইচা — ______

## খালী ঠাই পূৰ কৰা

| | |
|---|---|
| ১২০.৩০ টকা = ১২০ টকা ৩০ পইচা | ২২০ টকা ৭৫ পইচা = ২২০.৭৫ টকা |
| ৩০.৫০ টকা = ____ টকা ____ পইচা | ১২০ টকা ৫০ পইচা = ____ টকা |
| ৪০.০৫ টকা = ৪০ টকা ৫ পইচা | ২০ টকা ৭৫ পইচা = ____ টকা |
| ০.৫০ টকা = ____ টকা ____ পইচা | ৫ টকা ২৫ পইচা = ____ টকা |
| ০.২৫ টকা == ____ টকা ____ পইচা | ২ টকা ৪০ পইচা = ____ টকা |

## টকাক পইচালৈ পৰিৱৰ্তন কৰোঁ আহা

৩.২৫ টকাক পইচালৈ পৰিৱৰ্তন কৰা

## কেনেদৰে কৰিবা

৩.২৫ টকা = ৩ টকা আৰু ২৫ পইচা

আমি জানো যে ১ টকা = ১০০ পইচা

গতিকে ৩.২৫ টকা = ৩ ×১০০ পইচা + ২৫ পইচা

= ৩০০ পইচা + ২৫ পইচা

= ৩২৫ পইচা

সেয়েহে ৩.২৫ টকা = ৩২৫ পইচা

একেদৰে ০.০৫ টকা = ০ টকা আৰু ০৫ পইচা

= ০ ×১০০ পইচা + ৫ পইচা

= ০ পইচা + ৫ পইচা

= ৫ পইচা

আকৌ ৭.০৫ টকা = ৭ টকা আৰু ৫ পইচা

= ৭ ×১০০ পইচা + ৫ পইচা

= ৭০০ পইচা + ৫ পইচা

= ৭০৫ পইচা



**পইচালৈ পৰিৱৰ্তন কৰা**

(ক) ১.২০ টকা

(খ) ৪.৭৫ টকা

(গ) ৩.৫০ টকা

(ঘ) ৮.৭৫ টকা

(ঙ) ৯.০৫ টকা

(চ) ০.৯০ টকা

(ছ) ৫.১০ টকা

(জ) ০.০৫ টকা

(ঝ) ০.২০ টকা

(ঞ) ৮.০৫ টকা

ৰুণিমাই দোকানলৈ গৈ ২০ টকাৰে তলত দিয়া বস্তুকেইটা কিনিলে। মুঠ খৰচ কিমান হ'ল আৰু কিমান ঘূৰি আহিল হিচাপ কৰোঁ আহা

| | | |
|---|---|---|
| পেন্সিল এডাল | = | ৫.০০ টকা |
| ৰবৰ এটুকুৰা | = | + ২.০০ টকা |
| আঠাৰ বটল | = | + ১০.০০ টকা |
| মুঠ খৰচ | = | ১৭.০০ টকা |

| | | |
|---|---|---|
| ৰুণিমাৰ হাতত আছিল | = | ২০.০০ টকা |
| মুঠ খৰচ হ'ল | = | - ১৭.০০ টকা |
| বাকী থাকিল | = | ........................ |

সমস্যা সমাধান কৰা

১। ফাতেমাই ৫০ টকাৰ এখন বহী, ২০ টকাৰ এটা কলম লৈ দোকানীক ১০০ টকা দিলে। দোকানীয়ে তাইক কিমান টকা ঘূৰাই দিব?

২। সীমাৰ মাকে ৫০০ টকা লৈ বজাৰলৈ গৈছিল। তেওঁ ১৬৫ টকাৰ আপেল, ১২০ টকাৰ আম আৰু ১০০ টকাৰ মিঠাই কিনিলে। তেওঁৰ হাতত কিমান টকা বাকী থাকিল?

৩ তোমাৰ মায়ে বহী এখন কিনিবৰ বাবে তোমাক ৫০ টকা দিছিল। বহী কিনাৰ পিছত তোমাৰ হাতত ১৫ টকা বাকী থাকিল। বহীখনৰ দাম কিমান আছিল?


৪। ৰমেনৰ দেউতাকে বজাৰলৈ গৈ ২২৫ টকাৰ মাছ, ১১০ টকাৰ মাংস আৰু ৯৫ টকাৰ পাচলি কিনিলে। তেওঁৰ মুঠতে কিমান টকা খৰচ হ'ল?

৫। মিতাৰ দেউতাকে তাইৰ জন্মদিনত এটা ফ্ৰক আৰু এযোৰ চেণ্ডেল কিনিবলৈ ৮০০ টকা দিছিল। মিতাই ৫০০ টকাৰে এটা ফ্ৰক আৰু ২৫০ টকাৰে চেণ্ডেল কিনিলে। তাইৰ হাতত কিমান টকা বাকী থাকিল?

**বজাৰত নৰেনৰ খৰচ**

নৰেনে লোহা, প্লাষ্টিক, ভঙা টিং ইত্যাদি পেলনীয়া বস্তু সংগ্ৰহ কৰি এনে বস্তু জমা লোৱা দোকানত দি ৫০০ টকা পালে।

এতিয়া তেওঁ সেই ৫০০ টকাৰে ঘৰৰ বাবে খোৱা বস্তু আৰু ল'ৰা-ছোৱালীৰ বাবে কলম, পেঞ্চিল আদি কিনিলে। তেওঁ কি কি বস্তু কিমান দামত কিনিলে চাওঁ আহা



**ঘৰৰ বাবে**

| বস্তু | | খৰচ |
|---|---|---|
| মগু দাইল | = | ৭২.০০ টকা |
| আলু | = | ২০.০০ টকা |
| পিঁয়াজ | = | ২০.০০ টকা |
| চেনি | = | + ৪৫.০০ টকা |
| **মুঠ খৰচ** | = | ১৫৭.০০ টকা |

**ল'ৰা-ছোৱালীৰ বাবে**

| বস্তু | | খৰচ |
|---|---|---|
| বহী দুখন | = | ১০০.০০ টকা |
| পেঞ্চিল বাকচ | = | ৩০.০০ টকা |
| ৰবৰ ২ টুকুৰা | = | ১০.০০ টকা |
| স্কেল ১ পাত | = | ১০.০০ টকা |
| কলম ১ টা | = | + ১০.০০ টকা |
| **মুঠ খৰচ** | = | ১৬০.০০ টকা |

| | |
|---|---|
| নৰেনৰ খোৱা বস্তু কিনাৰ বাবদ মুঠ খৰচ হ'ল | ১৫৭.০০ টকা |
| বহী, পেঞ্চিল আদি কিনাৰ বাবদ মুঠ খৰচ হ'ল | + ১৬০.০০ টকা |
| **সৰ্বমুঠ খৰচ** | = ৩১৭.০০ টকা |



| | | |
|---|---|---|
| নৰেনৰ হাতত আছিল | = | ৫০০.০০ টকা |
| খৰচ হ'ল | = | - ৩১৭.০০ টকা |
| **বাকী থাকিল** | = | ..................টকা |

**যোগ কৰোঁ আহা**

(ক)
১২ টকা ২৫ পইচা
\+ ৭ টকা ৭ পইচা
১৯ টকা ৩২পইচা

(খ)
২০ টকা ২০ পইচা
\+ ২৭ টকা ৫০ পইচা

(গ)
২৫ টকা ৬৫ পইচা
\+ ২৮ টকা ২৫ পইচা

(ঘ)
১৯৫ টকা ৩৫ পইচা
\+ ১২ টকা ৩৫ পইচা

(ঙ)
২৯৮.৭০ টকা
\+ ১২.২৮ টকা
৩১০.৯৮ টকা

(চ)
৪২.২৪ টকা
\+ ৭.৫০ টকা

(ছ)
৬০.২০ টকা
\+ ৪৭.৫০ টকা

(জ)
৯৫.৪৫ টকা
\+ ৩২.১৫ টকা

(ঝ)
১৯৮.৪০ টকা
\+ ৪২.৩৮ টকা

(ঞ)
৩৫.৬৫ টকা
\+ ৭৮.২৫ টকা

**বিয়োগ কৰোঁ আহা ঃ**

(ক)
৭৮ টকা ৮০ পইচা
\- ৫০ টকা ৬০ পইচা
২৮ টকা ২০ পইচা

(খ)
১৭৫ টকা ৭৫ পইচা
\- ১৫ টকা ৫০ পইচা

(গ)
৫০ টকা ৯০ পইচা
\- ৮ টকা ৭৫ পইচা

(ঘ)
৭৫ টকা ৬৫ পইচা
\- ৩৫ টকা ২০ পইচা

(ঙ) ৯৮.৬০ টকা
- ৪০.৪০ টকা
৫৮.২০ টকা

(চ) ৩৭৫.৬৫ টকা
- ২৫.৫০ টকা

(ছ) ৭০.৮০ টকা
- ৫.৪৫ টকা

(জ) ৯৭১.০০ টকা
- ৩৫.০০ টকা

(ঝ) ২৯০.০০ টকা
- ৭৯.০০ টকা

(ঞ) ৯৮২.০০ টকা
- ২৫৩.০০ টকা

## দোকানলৈ যাওঁ আহা

গীতালিয়ে মাকৰ লগত ঘৰৰ বাবে বস্তু কিনিবলৈ জিলমিল ষ্ট'ৰলৈ গ'ল। মাকে লগত নিছিল ৭০০ টকা। তেওঁ কি কি বস্তু কিমান দামত আৰু কিমান পৰিমাণত কিনিলে চাওঁ আহা।

| সামগ্ৰী | পৰিমাণ | হাৰ (টকা) | মূল্য (টকা) |
|---|---|---|---|
| চাউল | ৪ কি গ্ৰা | ৩০ | ১২০.০০ |
| মচুৰ দাইল | ২ কি গ্ৰা | ৭০ | .................. |
| চেনি | ২ কি গ্ৰা | ৪০ | .................. |
| আটা | ৩ কি গ্ৰা | ৩০ | .................. |
| ময়দা | ২ কি গ্ৰা | ৩০ | .................. |
| মিঠাতেল | ২ লিটাৰ | ১২০ | .................. |
| মুঠ = | | | |



তালিকাখন চাই গীতালিৰ মাকে কিনা বস্তুবোৰৰ দাম, পৰিমাণ আৰু মুঠ খৰচ উলিওৱা।

- চাউল কিনিলে ৪ কিলোগ্ৰাম
  ১ কিলোগ্ৰাম চাউলৰ দাম = ৩০ টকা
  ∴ ৪ কিলোগ্ৰাম চাউলৰ দাম হ'ল = (৩০ × ৪) টকা
  = ১২০ টকা

- মচুৰ দাইল কিনিলে ২ কিলোগ্ৰাম

  ১ কিলোগ্ৰাম মচুৰ দাইলৰ দাম =........................... টকা

  ২ কিলোগ্ৰাম মচুৰ দাইলৰ দাম =........................... টকা

  =........................... টকা

- চেনি কিনিলে ২ কিলোগ্ৰাম

  ১ কিলোগ্ৰাম চেনিৰ দাম =........................... টকা

  ২ কিলোগ্ৰাম চেনিৰ দাম হ'ব =........................... টকা

  =........................... টকা

- আটা কিনিলে ৩ কিলোগ্ৰাম

  ১ কিলোগ্ৰাম আটাৰ দাম = ........................... টকা

  ৩ কিলোগ্ৰাম আটাৰ দাম হ'ব =........................... টকা

  =........................... টকা

- ময়দা কিনিলে ২ কিলোগ্ৰাম

  ১ কিলোগ্ৰাম ময়দাৰ দাম =........................... টকা

  ২ কিলোগ্ৰাম ময়দাৰ দাম হ'ব =........................... টকা

  =........................... টকা

- মিঠাতেল কিনিলে ২ লিটাৰ

  ১ লিটাৰ মিঠাতেলৰ দাম =........................... টকা

  ২ লিটাৰ মিঠাতেলৰ দাম হ'ব =........................... টকা

  =........................... টকা



গীতালিৰ মাকৰ বজাৰত কিমান খৰচ হ'ল ?

| | |
|---|---|
| চাউল কিনাৰ বাবদ হোৱা খৰচ | =............................ টকা |
| মচুৰ দাইল কিনাৰ বাবদ হোৱা খৰচ | =............................ টকা |
| চেনি কিনাৰ বাবদ হোৱা খৰচ | =............................ টকা |
| আটা কিনাৰ বাবদ হোৱা খৰচ | =............................ টকা |
| ময়দা কিনাৰ বাবদ হোৱা খৰচ | =............................ টকা |
| মিঠাতেল কিনাৰ বাবদ হোৱা খৰচ | =............................ টকা |
| মুঠ খৰচ | =............................ টকা |

**সমস্যা সমাধান কৰা**

(ক) অৰ্পণে ১০ টকা হাৰত ৫ ডাল পেঞ্চিল কিনিলে। পেঞ্চিল কিনাৰ বাবদ মুঠতে সি কিমান টকা খৰচ কৰিলে ?

(খ) মনুৰ দেউতাকে ৮ টা নেমুটেঙা কিনিলে। এটা নেমুটেঙাৰ ৫ টকা হ'লে মুঠ কিমান টকা খৰচ হ'ল ?

(গ) ভণিতাৰ হাতত থকা টকাৰে ৯ টকা হাৰত ৫ টা কমলা কিনিলে। ভণিতাৰ হাতত কিমান টকা আছিল ?

(ঘ) যদি ১ টা চকলেটৰ দাম ১০ টকা হয়, তেন্তে ৯ এটা চকলেট কিনিবলৈ কিমান টকা লাগিব ?

(ঙ) ৰমেন, বলেন আৰু পলাশ দুইটা কৈ কল খালে। যদি ১ টা কলৰ দাম ৫ টকা হয়, তেওঁলোকে মুঠ কিমান টকা খৰচ কৰিলে ?

(চ) এটা সৰু চকলেটৰ দাম ৫ টকা আৰু এটা ডাঙৰ চকলেটৰ দাম ১০ হলে ৬ টা সৰু চকলেট আৰু ৭ টা ডাঙৰ চকলেট কিনিবলৈ মুঠতে কিমান টকা লাগিব ?

